# -ঃ স্পষ্টীকৰণ ঃ-

বিগত কিছুদিন ধৰি অসমৰ একাংশ ইলেক্ট্ৰনিক আৰু ছপা সংবাদ মাধ্যমত ধাৰাবাহিকভাৱে ‘অসম কৃষি বিশ্ববিদ্যালয়ৰ অতিথিশালা বনিয়াক গতোৱাক লৈ ব্যাপক প্ৰতিক্ৰিয়া’, ‘গোপন বুজাবুজিৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অতিথিশালা বনিয়াক অৰ্পণ’ ইত্যাদি শিৰোনামাৰে প্ৰচাৰিত, প্ৰকাশিত বাতৰিৰ সন্দৰ্ভত অসম কৃষি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ স্থিতি উল্লেখ কৰা হ’ল।

সম্পূৰ্ণ বিধিসন্মতভাৱে অসম কৃষি বিশ্ববিদ্যালয়ৰ খানাপাৰাস্থিত অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত সৰ্বমুঠ ৩০.৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা আন্তৰাষ্ট্ৰীয় মানৰ অতিথিশালাটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত ২০২৩ চনৰ ১৭ আগষ্টত উক্ত অতিথিশালটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত অতিথিশালাটো নিখুঁত, জটিলতাহীন আৰু সুচাৰুৰূপে পৰিচালনাৰ বিষয়টো বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ কৰ্তৃপক্ষ ব’ৰ্ড অব্ মেনেজমেণ্টৰ ২০২৩ চনৰ ১৯ আগষ্টত অনুষ্ঠিত ২৬৩ সংখ্যক সভাই বিষদভাৱে আলোচনা কৰি সম্প্ৰতি বিশ্ববিদ্যালয়ত দেখা দিয়া পৰ্যাপ্ত মানৱ সম্পদৰ নাটনি তথা বিশ্ববিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নয়নৰ বাবে অপৰিহাৰ্য ৰাজহ আহৰণৰ বিষয়টো পৰ্যালোচনা কৰি অতিথিশালাটো বাহ্যিক উৎসৰ জৰিয়তে চুক্তিবদ্ধ হৈ পৰিচালনা কৰাত অনুমোদন প্ৰদান কৰে। ব’ৰ্ড অব্ মেনেজমেণ্টৰ সিদ্ধান্তমৰ্মে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই এক উচ্চস্তৰীয় সমিতি গঠনৰ জৰিয়তে চৰ্তাৱলী প্ৰস্তুত কৰি অতিথিশালাটো পৰিচালনাৰ বাবে ইচ্ছুক প্ৰতিষ্ঠানৰ পৰা EoI আহ্বান কৰি বিজ্ঞাপন প্ৰকাশ কৰে আৰু পৰৱৰ্তী পৰ্যায়ত কাৰিকৰী পৰ্যালোচনাৰ বাবে গঠিত অন্য এক উচ্চস্তৰীয় সমিতিৰ পৰামৰ্শ অনুযায়ী সৰ্বাধিক দৰৰ নিবিদাকাৰী ‘মেচাৰ্চ ওঁম কনষ্ট্ৰাক্‌চন স্বাম্ভাবী প্ৰাইভেট লিমিটেড’ক অতিথিশালাটো ৫ (পাঁচ) বছৰৰ বাবে বছৰি ৩.৪৮ কোটি টকাৰ দৰত ১১ মহীয়া চুক্তিৰ জৰিয়তে পৰিচালনাৰ দায়িত্ব দিয়া হয় আৰু এই সমগ্ৰ প্ৰক্ৰিয়া সম্বন্ধে বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ কৰ্তৃপক্ষ ব’ৰ্ড অব্ মেনেজমেণ্টৰ গত ১৮ মে’ ২০২৪-ত অনুষ্ঠিত ২৬৬ সংখ্যক সভাত অৱগত কৰা হয়। চুক্তি অনুযায়ী অতিথিগৃহটোৰ কেবাটাও বিলাসী কোঠাৰ লগতে অন্যান্য কোঠা, সভাগৃহ আদি বিশ্ববিদ্যালয়ৰ উপৰি উত্তৰ-পূৰ্ব পৰিষদৰ গৱেষক-বিজ্ঞানী আৰু কৰ্মচাৰীৰ বাবে সংৰক্ষিত ৰখাৰ লগতে কৃষিখণ্ডৰ লগত জড়িত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতিসম্পন্ন গৱেষক-শিক্ষকৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত সেৱা আগবঢ়োৱাটো বাধ্যতামূলক কৰা হৈছে। বাতৰিত প্ৰকাশ পোৱা ধৰণে উক্ত অতিথিশালাটো বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই গোপন বুজাবুজিৰে কোনো ব্যৱসায়িক প্ৰতিষ্ঠানক দায়িত্ব দিয়াৰ কথাটো তেনেই অমূলক আৰু ভিত্তিহীন।

*ভৱদীয়,*

অসম কৃষি বিশ্ববিদ্যালয়ৰ হৈ

**পঞ্জীয়ক**